بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩১ অক্টোবৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আজিকালি তবুকৰ যুদ্ধৰ কথা উল্লেখ হৈ আছে। আঁহজৰত (ছাঃ)য়ে এই যুদ্ধৰ বাবে ৰাওনা হৈছিল, ইতিহাসে এই সম্পৰ্কে অধিক বিৱৰণ দিয়ে যে ইছলামী সেনাই বিভিন্ন ঠাইত শিৱিত পাতি যাত্ৰা কৰি আছিল; এই যাত্ৰাৰ সময়ত অবিৰতভাৱে জোহৰ আৰু আছৰ, মাগৰিব আৰু ঈশাৰ নামাজ একেলগে পঢ়া হৈছিল। এই যাত্ৰাত হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ)য়ে ইমামতীৰ সৌভাগ্য লাভ কৰিছিল। এইদৰে এই যাত্ৰাৰ সময়ত আঁহজৰত (ছাঃ)আৰু ইছলামী সেনাই ছমুদৰ জাতি খুণ্ডৰাতৰ ওচৰেদি পাৰ হৈছিল। সেই অঞ্চলৰ নাম হিজৰ হয়, এই ঠাইখন মদিনাৰ পৰা তবুকলৈ যোৱাৰ বাটতেই অৱস্থিত। আজিকালি ইয়াক মদাইন ছালেহ বুলি কোৱা হয়। তেখেত (ছাঃ)য়ে সেই ঠাইত পানী ব্যৱহাৰ কৰিবলৈ আৰু অজু কৰিবলৈ নিষেধ কৰিছিল। আঁহজৰত (ছাঃ)য়ে কৈছিল যে সেই অঞ্চলত প্ৰৱেশ নকৰিবা তেওঁলোকে অন্যায় কৰিছিল আৰু তোমালোকে কান্দি আছিলা। সম্ভৱত তোমালোকৰ ওপৰত সেই দুৰ্যোগ আহিব যি তেওঁলোকৰ ওপৰত আহিছিল। এটা বৰ্ণনাত উল্লেখ আছে যে আঁহজৰত (ছাঃ)য়ে নিজৰ মুখখন ঢাকি আৰোহীৰ গতি দ্ৰুত কৰিছিল। এই যাত্ৰাৰ সময়ত আঁহজৰত (ছাঃ)ৰ উট কাছৱা হেৰাই যোৱাৰ ঘটনাও সংঘটিত হৈছিল। আঁহজৰত (ছাঃ)য়ে সেই সময়ত কৈছিল যে আপত্তি উত্থাপন কৰা ব্যক্তিয়ে কয় যে মহম্মদ (ছাঃ)নিজকে নবী বুলি কয় কিন্তু ইমানখিনিও নাজানে যে তেখেতৰ হেৰাই যোৱা উট কলৈ গৈছে ? আঁহজৰত (ছাঃ)য়ে কৈছিল যে খোদাৰ

শপত ! মোক যি জ্ঞান প্ৰদান কৰা হৈছে তাৰ বাহিৰে মই একোৱে নাজানো। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে খোদা তা'লাই মোক উটৰ বিষয়ে জনাইছে যে সেইটো অমুক উপত্যকাত আছে।

এই যাত্ৰাৰ সময়ত জাদেৰাহ অৰ্থাৎ খাদ্য সামগ্ৰী শেষ হৈ গৈছিল। বাটতে লোকসকল ভোকাতুৰ হৈ পৰিছিল তেতিয়া তেওঁলোকে আঁহজৰত (ছাঃ)ৰ পৰা নিজৰ পানী কঢ়িয়াই অনা উটটো জবাহ কৰাৰ অনুমতি বিচাৰে; আঁহজৰত (ছাঃ)য়ে অনুমতি দিছিল। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে এইদৰে আৰোহী কম হৈ যাব। আপুনি লোকসকলৰ মাজত ৰৈ যোৱা খাদ্য জমা কৰি ইয়াত বৰকতৰ বাবে প্ৰাৰ্থনা কৰক। অৰ্থাৎ তেনেদৰেই কৰা হৈছিল, আঁহজৰত (ছাঃ)য়ে খাদ্যৰ ওপৰত বৰকতৰ বাবে দোৱা কৰিছিল যাৰ ফলত খাদ্যত ইমানে কল্যাণ বৰ্ষিত হৈছিল যে সকলোৱে খাই তৃপ্ত হৈছিল আৰু কিছু খাদ্য ৰৈয়ো গৈছিল।

এই যাত্ৰাৰ সময়ত কেইবাটাও ঘটনা সংঘটিত হৈছিল, যাৰ পৰা বিভিন্ন ফলাফল আৰু পথ প্ৰদৰ্শনৰ কথা জানিব পৰা গৈছিল। উদাহৰণস্বৰূপে, দুজন মানুহৰ মাজত বিবাদ হৈছিল, এজনে আনজনৰ হাতত কামুৰিছিল, দ্বিতীজনে হাতখন টানাৰ ফলত প্ৰথমজনৰ দাঁত ভাঙি গৈছিল। প্ৰথমজনৰ নিজৰ দাঁত ভাঙি যোৱাৰ কাৰণে দিয়তৰ দাবী কৰিছিল। আঁহজৰত (ছাঃ)য়ে এইটো কৈ সেই কথাষাৰ নাকচ কৰিছিল যে সেইজন ব্যক্তিয়ে তোমাৰ মুখত হাতখন এৰি দিয়া উচিত আছিলনে যাতে তুমি তেওঁৰ হাতখন উটৰ মুখত ৰাখি দিয়াৰ দৰে চোবালেহেঁতেন। সেয়েহে ক্ষতিপূৰণৰ অধিকাৰ ঘোষণা কৰাৰ সিদ্ধান্ত তথ্য আৰু প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰে।

এইদৰে এই যাত্ৰাৰ সময়ত এটা বাগিচাৰ ওচৰেদি গৈ আছিল, আঁহজৰত (ছাঃ)য়ে কিছুমান চাহাবাসকলক কৈছিল যে অনুমান কৰক যে এই বাগিচাত কিমান খেজুৰ আছে ? সকলোৱে অনুমান কৰিলে আৰু আঁহজৰত (ছাঃ)য়েও অনুমান কৰিলে; বাগিচাখনৰ মহিলা মালিক তাতেই থিয় হৈ আছিল, তাইক কোৱা হ'ল যে যেতিয়া খেজুৰ পাৰিবা তেতিয়া ইয়াৰ ওজন মনত ৰাখিবা। যাত্ৰাৰ পৰা উভতি অহা সময়ত সেই মহিলা গৰাকীক সেই খেজুৰৰ বিষয়ে সোধা হৈছিল তেতিয়া মহিলা গৰাকীয়ে আঁহজৰত (ছাঃ)য়ে অনুমান কৰা মতেই খেজুৰৰ ওজন হৈছিল বুলি কৈছিল।

আকৌ সেই যাত্ৰাৰ সময়ত আঁহজৰত (ছাঃ)য়ে এদিনাখন কৈছিল যে আজি ৰাতি তীব্ৰ ধুমুহা আহিব। অৰ্থাৎ ঠিক তেনেদৰেই ঘটনা সংঘটিত হৈছিল আৰু তীব্ৰভাৱে ধুমুহা আহিছিল। সেই যাত্ৰাৰ সময়ত কেইবাটাও অলৌকিকতা প্ৰকাশ পাইছিল যাৰ মাজত বৰষুণ বৰ্ষণ, খাদ্য সামগ্ৰীত কল্যাণ বৰ্ষিত হোৱা আৰু শুকান কোঁৰা পানীৰে ভৰি যোৱা আদি অলৌকিকতা অন্তৰ্ভুক্ত আছিল।

তবুকৰ যুদ্ধত পহৰা দিয়া সকলৰ কথা উল্লেখ পোৱা যায় যে হজৰত ইবাদ বিন বশ্বিৰ (ৰাঃ)ক বিশেষ সুৰক্ষাৰ বাবে নিযুক্ত কৰা হৈছিল যিয়ে নিজৰ সংগীসকলৰ সৈতে চৌদিশে ঘূৰি ফুৰিছিল।

এদিনাখন তেওঁ কলে যে হে আল্লাহৰ ৰছুল (ছাঃ) ! আমি ৰাতি ঘূৰি ফুৰোতে তকবিৰৰ শব্দ শুনাই পাওঁ। আপুনি আমাৰ বাহিৰেও আন কাৰোবাক পহৰাৰ বাবে নিযুক্ত কৰিছেনে ? আঁহজৰত (ছাঃ)য়ে কৈছিল যে নহয়; মই তোমাৰ বাহিৰে আন কাকো নিযুক্ত কৰা নাই, হ'ব পাৰে কিছুমান মুছলমান সকলে স্ব-ইচ্ছাই ওলাই আহিছে। এই কথা শুনি হজৰত ছালকান বিন ছালামাহ (ৰাঃ)য়ে থিয় হৈছিল যাক পহৰাৰ বাবে নিযুক্ত কৰা হোৱা নাছিল; ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি প্ৰেমৰ বাবে তেওঁ এনেকুৱা কাম

কৰিছিল। তেওঁ কৈছিল যে হে আল্লাহৰ ৰছুল ! মই নিজৰ ১০ জন অশ্বাৰোহীসহ ওলাই আহো আৰু সেই পহৰা দিয়া সকলৰ সুৰক্ষাৰ বাবে ঘূৰি ফুৰো। এই কথা শুনি আঁহজৰত (ছাঃ)য়ে দোৱা কৰি কৈছিল যে আল্লাহ তা'লাৰ বাটত সুৰক্ষা কৰাসকলৰ ওপৰত আল্লাহৰ কৃপা বৰ্ষিত হওঁক। লোকসকলৰ বা জন্তুবোৰৰ সুৰক্ষাৰ বাবে পহৰা দিয়া প্ৰত্যেকটো প্ৰাণ আৰু জন্তুৰ বিনিময়ত এটা এটা কিৰাত পুৰস্কাৰ লাভ কৰিব।

তবুকৰ যাত্ৰাৰ সময়ত লোকসকলৰ পৰিস্থিতি এনেকুৱা আছিল যে প্ৰতিটো শিৱিৰ পতাৰ সময়ত কিছুমান লোক পিছফালে ৰৈ গৈছিল। চাহাবা সকলে কৈছিল যে হুজুৰ (ছাঃ)! আজি অমুক ব্যক্তি পিছত ৰৈ গৈছে। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে সেয়া এৰি দিয়ক, তেওঁলোকৰ মাজত যদি কিবা গুণ আছে তেন্তে আল্লাহ তা'লাই তেওঁক তোমালোকৰ লগত পুনৰ সাক্ষাৎ কৰাব; ইয়াৰ বাহিৰে যদি তেওঁৰ মাজত আন কিবা থাকে তেন্তে আল্লাহ তা'লাই তোমালোকক ৰক্ষা কৰিব।এইদৰে এবাৰ হজৰত আবু জৰ (ৰাঃ)ৰ উট একেবাৰে এলেহুৱা হৈ পৰিছিল, অৱশেষত তেওঁ উটটো এৰি দি সা-সামগ্ৰী মূৰত উঠাই আঁহজৰত (ছাঃ)ৰ পিছে পিছে যাব ধৰিলে, কিছুদিন পিছত এটা শিৱিৰত দেখা পালে যে কোনোবা ব্যক্তি অকলেই আহি আছে তেতিয়া লোকসকলে আঁহজৰত (ছাঃ)ক খবৰ জনায়। আঁহজৰত (ছাঃ)য়ে কৈছিল যে সম্ভৱত ! এইজন আবু জৰ হ'ব। যেতিয়া তেওঁ ওচৰ চাপি আহিল তেতিয়া লোকসকলে কলে যে তেওঁ আবু জৰ হয়। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে কৈছিল যে আল্লাহ আবু জৰ (ৰাঃ)ৰ ওপৰত দয়া কৰক তেওঁ অকলেই আহি আছিল। অকলেই মৃত্যুবৰণ কৰিব আৰু অকলশৰীয়াই পুনৰুত্থান কৰা হ'ব। হজৰত আবু জৰ (ৰাঃ)ৰ বিষয়ে আঁহজৰত (ছাঃ)ৰ এই কথাষাৰ হুবহু পূৰণ হৈছিল। অৰ্থাৎ হজৰত উছমান (ৰাঃ)ৰ খিলাফতৰ সময়ত তেওঁ নিজৰ পৰিয়ালসহ মদিনাৰ বাহিৰত এটা দূৰ অঞ্চললৈ স্থানান্তৰ হৈছিল। যেতিয়া তেওঁৰ মৃত্যুৰ সময় কাষ চাপিছিল তেতিয়া তেওঁৰ স্ত্ৰীয়ে চিন্তিত হৈ পৰিছিল। তেতিয়া হজৰত আবু জৰ (ৰাঃ)য়ে কৈছিল যে চিন্তিত নহ'বা; মই ৰছুলে কৰিম (ছাঃ)ক এই কথাষাৰ কৈ থকা শুনা পাইছো যে তোমালোকৰ মাজৰ এজন ব্যক্তি নিৰ্জন হাবিত মৃত্যুবৰণ কৰিব আৰু তেওঁৰ নামাজে জানাজাত বিশ্বাস স্থাপন কৰা এটা জামাত অংশগ্ৰহণ কৰিব। আবু জৰ (ৰাঃ)য়ে কৈছিল যে আঁহজৰত (ছাঃ)য়ে যেতিয়া এই কথাষাৰ কৈছিল তেতিয়া যিমান লোক তাতে উপস্থিত আছিল তাৰ মাজৰ সকলোৱে মৃত্যুবৰণ কৰিছে আৰু কোনেও নিৰ্জন হাবিত মৃত্যুবৰণ কৰা নাই। গতিকে মইয়ে সেই ব্যক্তি; সেয়ে তুমি চিন্তিত নহ'বা। যেতিয়া মোৰ মৃত্যু হ'ব তেতিয়া মোৰ গাঁ ধুৱাই নশ্বৰদেহ মদিনালৈ যোৱা বাটতে ৰাখি দিবা। এনেদৰেই কৰা হৈছিল, অলপ সময় পাৰ হৈছিল ইমানতেই আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে নিজৰ লগৰীয়াৰ সৈতে সেই বাটেদি গৈ আছিল, তেওঁলোকে ইৰাকৰ পৰা উমৰাৰ উদ্দেশ্যে গৈ আছিল। তেওঁলোকে যেতিয়া জানিব পাৰে যে এইটো আবু জৰ (ৰাঃ)ৰ জানাজা হয় তেতিয়া তেওঁলোকে কান্দি কান্দি ক'ব ধৰিলে যে ৰছুলুল্লাহ (ছাঃ)য়ে সঁচা কৈছিল যে আবু জৰ অকলেই ঘূৰি ফুৰে আৰু অকলশৰীয়া হৈ মৃত্যুবৰণ কৰিব। তেওঁলোকে নিজৰ সংগীসকলৰ সৈতে আবু জৰ (ৰাঃ)ৰ নামাজে জানাজা পঢ়ি তেওঁক তাতেই দফন কৰিলে।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ৰাবৰাৰ মছজিদত আক্ৰমণ হোৱাৰ ফলত যিসকল আঘাতপ্ৰাপ্ত হৈছে তেওঁলোকৰ বাবে দোৱা কৰিব যে গুৰুতৰ বাবে আহত হোৱা সকলক আল্লাহ

তা'লা সুৰক্ষিত ৰাখক আৰু অতি সোনাকলে আৰোগ্য দান কৰক। পাকিস্তানত বিৰোধী সকলৰ সকলো প্ৰকাৰৰ ষড়যন্ত্ৰ বিফল কৰক। ৰাবৱাত খাতামান নবুয়তৰ ওপৰত বিৰোধীসকলে সভা অনুষ্ঠিত কৰি আছে। মৌলৱী সকলে যিমান অশ্লীল আৰু অপশব্দ প্ৰয়োগ কৰিবলগীয়া আছে সেয়া প্ৰয়োগ কৰি আছে। আল্লাহ্ তা'লা তেওঁলোকৰ দুষ্টামিৰ পৰা সুৰক্ষিত ৰাখক। বাংলাদেশৰ আহ্‌মদীসকলৰ বাবেও দোৱা কৰিব। তাতে বিৰোধীসকলে কু-অভিপ্ৰায় কৰি থাকে। আল্লাহ্ তা'লা তাতেও প্ৰতিজন আহমদীক সুৰক্ষিত ৰাখক। পশ্চিমীয়া দেশৰ বাবেও দোৱা কৰিব। আল্লাহ্ তা'লা তেওঁলোকৰ ওপৰত দয়া কৰক আৰু অন্যায়কাৰী সকলৰ পৰা মুক্তি দিয়ক। বিগত দিনত যি ঘটনা সংঘটিত হৈছে সেইটোৱে প্ৰমাণ কৰিছে যে যিটো তেওঁলোকে যুদ্ধবিৰতি বুলি কৈ আছে সেয়া কেৱল নামতহে যুদ্ধবিৰতি। আল্লাহ্ তা'লা নিপীড়িত সকলক অত্যাচাৰৰ পৰা ৰক্ষা কৰক আৰু অন্যায়কাৰীসকলক শাস্তি প্ৰদান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمکم اللّٰہ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 31 OCT 2025**

## BOOK POST (PRINTED MATTER)

TO,

........................................................................................................................................

...............................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB